# উপায়ুক্তৰ কাৰ্যালয় ঃঃ যোৰহাট

## ৰাজহ পেচকাৰ শাখা

- **WP(C) গোচৰ ঃ**
  - WP(C) গোচৰ মহামান্য উচ্চ ন্যায়ালয় সম্পৰ্কীয় অতি গুৰুত্বপূৰ্ণ বিষয়।
  - উচ্চ ন্যায়ালয়ৰ পৰা গোচৰ সম্পৰ্কীয় দফাসমূহ প্ৰাপ্তি হোৱাৰ পাছত বিষয়বস্তু আৰু এলেকাৰ ওপৰত নিৰ্ভৰ কৰি কাৰ্যালয়ত উপলব্ধ নথি, সংশ্লিষ্ট চক্ৰ বিষয়া আৰু অন্যান্য বিভাগসমূহৰ পৰা দফাৰ প্ৰতিবেদন লৈ ৬ সপ্তাহৰ ভিতৰত প্ৰেৰণ কৰিব লাগে।
  - উক্ত প্ৰতিবেদন প্ৰেৰণ কৰাৰ অন্তত চৰকাৰী অধিবক্তাই প্ৰস্তুত কৰা শপতনামা আমি প্ৰেৰণ কৰা দফাসমূহৰ সত্যতা নিৰূপন কৰি এজন বিষয়াই স্বাক্ষৰ কৰিবগৈ লাগে।
  - WP(C) গোচৰসমূহৰ দফা প্ৰতিবেদনসমূহ চমু আৰু অৰ্থবহ হ'ব লাগে। দফাবোৰৰ উত্তৰ যথাযথ হ'ব লাগে।
  - উক্ত গোচৰসমূহৰ মহামান্য উচ্চ ন্যায়ালয়ৰ আদেশ পোৱাৰ পিছত তৎকালীনভাৱে কাৰ্যকৰীকৰণৰ বাবে ব্যৱস্থা ল'ব লাগে। বৰ্তমান সময়ত এই গোচৰসমূহ MIS ত অন্তৰ্ভুক্তিকৰণৰ ব্যৱস্থা কৰা হৈছে।

  - মোৰ ব্যক্তিগত কাৰ্যকালত ২০১৬ চনৰ নৱেম্বৰ মাহৰ পৰা বৰ্তমানলৈ প্ৰায় ১০টা WP(C) গোচৰৰ প্ৰতিবেদন দাখিল কৰা হৈছে। শেহতীয়াকৈ জুলাই আৰু আগষ্ট ২০১৮ ত পোৱা পঞ্জীভুক্ত হোৱা চাৰিটা নতুন ডব্লিউ পি(চি)ৰ প্ৰতিবেদন দিবলৈ বাকী আছে।

- **<u>টি.এচ্. গোচৰ (Title Suit and Title Appeal) ঃ</u>**

WP(C) গোচৰৰ দৰে টি.এচ. গোচৰসমূহ গুৰুত্বপূৰ্ণ।

সৰ্বসাধাৰণ নাগৰিকে নিজৰ মাটি-বাৰী, সা-সম্পত্তি আদিবিলাকৰ ওপৰত নিজৰ মালিকী স্বত্ত্ব, গৰাকী নিৰ্ণয়ৰ বাবে নিম্ন আদালতত Title Suit গোচৰ তৰে। এনে গোচৰৰ আদেশত অসন্তুষ্ট হ'লে উচ্চ আদালতত Title Appeal গোচৰ তৰে।

ৰাজহ পেচকাৰ শাখাৰ পৰা আদালতে বিচৰা মতে প্ৰতিবেদন দিয়া হয়।

- **<u>80 CPC ৰ জাননী ঃ (Civil Procedure Code)</u>**

এই জাননীৰ অধীনত সংশ্লিষ্ট আবেদনকাৰীজনক ৬০ দিনৰ ভিতৰত তেখেতে বিচৰা বিষয়বস্তুৰ ওপৰত যোগ্য প্ৰত্যুত্তৰ প্ৰদান কৰিব লাগে। এই জাননী ৰাজহকে আদি কৰি যিকোনো বিষয়ৰ ওপৰতো প্ৰেৰণ কৰিব পাৰে।

- **অসম ৰাজহ ব'ৰ্ডৰ গোচৰ ঃ**
  - অসম ৰাজহ ব'ৰ্ড হ'ল চৰকাৰে গঠন কৰি দিয়া স্বতন্ত্ৰৰীয়া সংস্থা। প্ৰকৃতাৰ্থত ভূমি সম্পৰ্কীয় যিকোনো গোচৰৰ আদেশত অসন্তুষ্ট পক্ষই ৰাজহ বৰ্ডলৈ গৈ গোচৰ তৰে।
  - এই শাখাৰ যোগে অসম ৰাজহ ব'ৰ্ডত ৰুজু কৰা গোচৰসমূহৰো প্ৰতিবেদন দিব লগা হয়।

- **আদালত অৱমাননাৰ গোচৰ (Contempt of Court)ঃ**

ওপৰত উল্লেখ কৰি অহা গোচৰসমূহৰ সন্দৰ্ভত ন্যায়ালয়/আদালতে দিয়া চূড়ান্ত ৰায়/আদেশসমূহ যদি সময়মতে আমি কাৰ্যকৰীকৰণৰ ব্যৱস্থা নলও নতুবা সংশ্লিষ্ট বিভাগে নলয় অথবা অৱহেলা কৰি ৰখা হয়, তেনে ক্ষেত্ৰত সংশ্লিষ্ট পক্ষই উল্লেখিত আদালতসমূহত আদালতৰ আদেশ অৱমাননাৰ গোচৰ তৰিব পাৰে। সেই গোচৰত বিষয়াই হওক বা সহায়কে হওঁক ব্যক্তিগতভাৱে জগৰীয়া হ'ব পাৰে।

# ৰাজহ আপীল

- উপায়ুক্ত কাৰ্যালয়ৰ ৰাজহ বিভাগৰ পৰা (বৰ্তমান চক্ৰ বিষয়াৰ কাৰ্যালয়) মাটিৰ নামজাৰী আৰু বাটোৱাৰা গোচৰ সম্পৰ্কত যেতিয়া আদেশ দিয়া হয় সেই আদেশৰ ওপৰত কোনো পক্ষ অসন্তুষ্ট হ'লে উক্ত নামজাৰী/বাটোৱাৰাৰ আদেশ কৰ্তন অথবা স্থগিতাদেশৰ বাবে The Assam Land and Revenue Regulation, 1886 ৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত আবেদন কৰে ইয়াকে ৰাজহ আপীল বুলি কোৱা হয়।
- নামজাৰী অথবা বাটোৱাৰা আদেশৰ ওপৰত আবেদনকাৰীয়ে এই আইনৰ অধীনৰ ১৪৭, ১৫১, ১৫২, ১৬৯ আদি ধাৰাত আপীল কৰে।
- আবেদন পৰীক্ষা কৰি সকলো নথি সঠিক হ'লে আবেদন মঞ্জুৰ কৰি ৰাজহ আপীল পঞ্জীয়ন কৰা হয় আৰু দুয়ো পক্ষলৈ শুনানিৰ বাবে জাননী জাৰি কৰা হয়।

- প্ৰসংগত উল্লেখ থাকে যদিহে চিঠা নামজাৰীৰ ক্ষেত্ৰত আপীল হয় আৰু ৩ বছৰৰ ভিতৰত আপীল কৰে তেনে ক্ষেত্ৰত চক্ৰ বিষয়াই ওপৰোক্ত আইনৰ 53A(2) নং ধাৰাৰ অধীনত মীমাংসা কৰিব পাৰে।
- নামজাৰী আদেশৰ তাৰিখৰ পৰা যদি ৰাজহ আপীলৰ বাবে আবেদন কৰা তাৰিখৰ সময় ৩ বছৰৰ অধিক হয় তেনেহ'লে আবেদনকাৰীৰ পৰা Limitation Act 1963 ৰ ৫ নং ধাৰাৰ অধীনত অতিৰিক্ত আবেদন গ্ৰহণ কৰি শুনানি লোৱা হয়। শুনানিত কিয় পলম হ'ল তাৰ সত্যাসত্য প্ৰমাণিত হ'লে আবেদন মঞ্জুৰ কৰা হয়।
- <u>**গ্ৰাণ্ট মিউটেশ্যন ঃ**</u>
  - চাহ ম্যাদি পট্টাভুক্ত মাটি এফ এচ্ পট্টাভুক্ত মাটি শ্ৰেণীৰ মাটি/চাহ বাগানৰ মাটি ক্ৰয়-বিক্ৰয় যোগে হস্তান্তৰ হয়, পট্টাদাৰৰ মৃত্যুত উত্তৰাধীকাৰী নামজাৰী কৰিবলগীয়া হয় আৰু ১৯৫৬ চনৰ কোম্পানী আইন অনুসৰি মহামান্য কলিকতা উচ্চ ন্যায়ালয়ৰ আদেশ অনুসৰি সংযোজন হয় তেতিয়া গ্ৰাণ্ট মিউটেশ্যন গোচৰ পঞ্জীয়ন হয়।
  - আবেদনসমূহ The Assam Land and Revenue Regulation, 1886 ৰ অধীনত পঞ্জীয়ন কৰা হয়। আৰু অসম চৰকাৰৰ ইং ২৫-০৩-২০০১ তাৰিখৰ অধিসূচনা নং আৰএচএচ ৫৭৩/৯৪/২৫ত উল্লেখিত দফসমূহৰ ওপৰত চক্ৰ বিষয়াৰ পৰা বিতং প্ৰতিবেদন লোৱাৰ পৰৱৰ্তী পৰ্যায়ত চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হয়।

# মীন মহলৰ বন্দোবস্তী ঃ

The Assam Fishery Rules, 1953 মতে অনুসূচিত জাতিৰ ১০০% মৎস্য জীৱি লোকক মীন মহল বন্দোবস্তী দিয়া হয়।

- এই শাখাৰ যোগেদি যোৰহাট জিলাৰ ১০খন ৰাজহ মীন মহলৰ কাম সম্পাদন কৰা হয়। ইয়াৰে ৭খন ৬০% আৰু ৩খন ৪০% শতাংশ হাৰৰ অধীনস্থ।
- ৬০% পৰ্যায়ৰ অৰ্থ হৈছে – বাৰ্ষিক লাভৰ ৬০ শতাংশ লেচী অথবা বন্দোবস্তী সমিতিয়ে পায় আৰু বাকী ৪০% মাছমৰীয়া, কৰ্মচাৰী আৰু উন্নয়নৰ কামত ব্যয় কৰিব লাগে।
- ঠিক তেনেদৰে ৪০% পৰ্যায়ৰ মীন মহলত বাৰ্ষিক লাভৰ ৪০ শতাংশ লেচী অথবা বন্দোবস্তী সমিতিয়ে পায় আৰু বাকী ৬০% মাছমৰীয়া, কৰ্মচাৰী আৰু উন্নয়নৰ কামত ব্যয় কৰিব লাগে।
- ৬০% পৰ্যায়ৰ মীনমহল হৈছে ক্ৰমে ঃ ১) ১৯ নং ব্ৰহ্মপুত্ৰ ৩য় খণ্ড (ক-অংশ), ২) ১৯ নং ব্ৰহ্মপুত্ৰ ৩য় খণ্ড (খ-অংশ), ৩) ৮/৯ নং জাঁজী গ্ৰুপ মীন মহল, ৪) ১১ নং ককিলা ক-অংশ মীন মহল, ৫) ১১ নং ককিলা খ-অংশ মীন মহল, ৬) ২০ নং বৰচলা মীন মহল, ৭) ১০ নং টীয়ক টপটপী মীন মহল
- ৪০% পৰ্যায়ৰ মীনমহল হৈছে ক্ৰমেঃ ১) কাকডোঙা-২ (খ), ২) কাকডোঙা-২ (গ), ৩) ৫ নং ধলী মীন মহল।

- এই  ৬০% পৰ্যায়ৰ মীন মহলসমূহ The Assam Fishery Rules, 1953 ৰ ধাৰা/বিধি অনুসৰি নিবিদা প্ৰক্ৰীয়াৰ মাজেৰে ৩, ৫ বছৰৰ পৰা ৭ বছৰলৈ বাৰ্ষিক ৰাজহৰ আধাৰত কোনো ব্যক্তি, সমবায় সমিতি, আত্মসহায়ক গোটক নিবিদা আহ্বান কৰি নিবিদাৰ তুলনামূলক তালিকা প্ৰস্তুত কৰি বাঁচনিৰ বাবে চৰকাৰলৈ প্ৰেৰণ কৰা হয় আৰু চৰকাৰে অনুমোদন কৰি দিয়া মতে বন্দোবস্তী দিয়া হয়।

- ৪০% পৰ্যায়ৰ মীনমহলসমূহ জিলা উপায়ুক্ত পৰ্যায়ত নিবিদা আহ্বান কৰি বন্দোবস্তী দিয়া আৰু চৰকাৰক জনোৱা হয়।

- শেহতীয়া চৰকাৰী অধিসূচনা নং FISH 19/65/2017-Fishery/1/(eCF-No.-50022) তাৰিখ ঃ ১৮-০১-২০১৮ মতে মহল বন্দোবস্তীৰ চৰ্ত নিৰ্দিষ্ট কৰি দিছে।

- ওপৰোক্ত আইনৰ ধাৰা ৪(a) ৰ অধীনত জিলাৰ ক্ষেত্ৰত উপায়ুক্ত বা অতিৰিক্ত উপায়ুক্তই বন্দোবস্তিৰ কৰ্তৃত্ব প্ৰাধীকাৰী আৰু মহকুমাৰ ক্ষেত্ৰত মহকুমাধীপতিয়ে বন্দোবস্তি প্ৰাধীকাৰী। মীন অধিনিয়ম 8(b) ৰ আধাৰত বন্দোবস্তীত থকা সমিতি অথবা লেচিজনকে পৰৱৰ্তী বন্দোবস্তী হোৱালৈকে দৈনিক ভিত্তিত চলাই যাবলৈ দিব পাৰে। কিন্তু ৰাজহ পূৰ্বতকৈ ১০% বাঢ়িব লাগিব।

- মীন মহল বন্দোবস্তী পোৱাৰ প্ৰথম মাহৰ ভিতৰত নিবিদা মূল্যৰ ২৫% ৰাজহ আদায় দিব লাগে। আৰু বাকী ৰাজহ দুটা কীস্তিত ক্ৰমে ৫০% আৰু ২৫% ৰাজহ আদায় দিব লাগে। মহলদাৰে ট্ৰেজাৰী চালান যোগে পোনপতীয়াকৈ “0405” (0102) Fishery Revenue Head ত উক্ত ৰাজহ জমা দিব লাগে।

- **বাটোৱাৰা পট্টা অনুমোদন ঃ**
  - ভূমি বাটোৱাৰা হোৱাৰ অন্তত নতুন পট্টা অনুমোদন দিয়া হয়।
  - পট্টা অনুমোদনৰ বাবে নতুন বাটোৱাৰা জমাবন্দী, ট্ৰেচ্ মেপ, (বৰ্তমান সময়ত ভূ-নক্সা Software ৰ যোগেদি নতুন দাগ অনলাইন মতে প্ৰস্তুত কৰি প্ৰেৰণ কৰিব লাগে।
  - এই পট্টাসমূহ এটা Terminal Date লৈকেহে অনুমোদন জনোৱা হয়। সেই অনুসৰি অসম চৰকাৰৰ চিঠি নং আৰ. আৰ. টি ২৬৯/৯৪/২৯০ দিনাংক ০১-০৮-২০১৩ যোগে ৩০-০৯-২০১৮ তাৰিখলৈকে অনুমোদন জনায়।

**-ধন্যবাদ-**